# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-08-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ডিব্ৰুগড় জিলাৰ লাহোৱালৰ জ্যেষ্ঠ সাংবাদিক কনৌজ শইকীয়ালৈ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবে শিক্ষাবিদ অশোক বৰগোঁহাই সোঁৱৰণী সাংবাদিকতা বঁটা প্ৰদানৰ সিদ্ধান্ত লৈছে। ডিব্ৰুগড় প্ৰেছ ক্লাবৰ কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেইবাখনো আগশাৰী দৈনিক বাতৰিকাতত সাংবাদিক হিচাপে কাম কৰা কনৌজ শইকীয়াই কেইবাখনো গ্ৰন্থ ৰচনা কৰিছে। অহা ১৪ আগষ্টত প্ৰেছ ক্লাবৰ একবিংশ প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত তেওঁৰ এই বঁটা প্ৰদান কৰা হ'ব বুলি জানিব পৰা গৈছে।

ooooo

ডিব্ৰুগড় জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগে আজি মৰাণ ৰাজহ চক্ৰৰ অধীনৰ বান প্ৰভাৱিত অঞ্চলত পশু খাদ্য বিতৰণ কৰে। বিভাগটোৰ বিষয়া, কৰ্মচাৰীসকলৰ উপস্থিতিত কেইবাখনো গাঁৱত পশু খাদ্য বিতৰণ কৰা হয়।

ooooo

ধেমাজি জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে আজি এটা হত্যাৰ গোচৰৰ ৰায়দান কৰি এজন দোষীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। ধেমাজি থানাত পঞ্জীয়ন হোৱা গোচৰটোৰ ৰায়দান কৰি আদালতে লোকজনক দোষী সাব্যস্ত কৰি এই শাস্তি প্ৰদান কৰে। লোকজনক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰা হয় বুলি ধেমাজি আদালতৰ চৰকাৰী অধিবক্তাই জানিবলৈ দিয়ে। উল্লেখযোগ্য যে দোষী সাব্যস্ত হোৱা ভবকান্ত নৰহে ২০১৯ চনত পুত্ৰক হত্যা কৰিছিল।

ooooo

ৰাজ্যত পুনৰ ১০ খন নতুন সমজিলা সংযোজন কৰা হ'ব। কাইলৈ কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। পৰহিলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত,

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি কৃষি বিভাগৰ ৰাষ্ট্ৰীয় ভোজ্য তেল-তৈল বীজ অভিযান আঁচনিৰ সন্দৰ্ভত জিলা পৰ্যায়ৰ নিৰ্বাচনী কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনত আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ বাবে মিনি অইল মিলত অনুমোদন জনোৱা হয়। আজিৰ এই সভাত ডিব্ৰুগড় জিলা কৃষি বিষয়া, টিংখং আৰু খোৱাং সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি, ন'ডেল বিষয়া, বিভাগীয় অভিযন্তা আৰু কাৰিকৰী সহায়কসকল উপস্থিত থাকে।

০০০০০

স্বাধীনতা দিৱসলৈ মাজত মাথো তিনিটা দিন বাকী থকা অৱস্থাত বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। বিভিন্ন জিলাত **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশৰূপে চাইকেল সমদলৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাৰ সদৰত আৰক্ষী, চি আৰ পি এফ, এন চি চি আৰু স্কাউট এণ্ড গাইডৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেডৰ অনুশীলন কৰা পৰিলক্ষিত হৈছে। ইফালে গুৱাহাটীৰ চানমাৰিত অৱস্থিত অসম ৰাজ্যিক খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে ৫ হাজাৰ জাতীয় পতাকা প্ৰস্তুত কৰাৰ কাম প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। এই সন্দৰ্ভত খাদী ব'ৰ্ডৰ বিপণন শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া বেঞ্জামিন ৰংমায়ে জনোৱা অনুসৰি এইবাৰ স্বাধীনতা দিৱস উপলক্ষে প্ৰায় ২৫ লাখ টকা মূল্যৰ ভিন্ন আকাৰৰ পতাকা প্ৰস্তুতৰ কাম হাতত লোৱা হৈছে। সেই অনুসৰি ১০ গৰাকী শিপিনীয়ে ইতিমধ্যে ৫ হাজাৰ পতাকা প্ৰস্তুতৰ কাম সম্পূৰ্ণ কৰি তুলিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা ২৫টাকৈ খাদী ভাণ্ডাৰৰ লগতে বিভিন্ন চৰকাৰী বিভাগ, জিলা আয়ুক্তৰ কাৰ্যালয়লৈ পতাকা প্ৰেৰণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

গোলাঘাট জিলাৰ এ এছ্ আৰ এল এমৰ অন্তৰ্গত বিভিন্ন আত্মসহায়ক গোটৰ সদস্যসকলে হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত হাতে বোৱা তিৰংগা বিক্ৰী কৰাৰ কাম আৰম্ভ কৰিছে। ইয়াৰ বাবে বিভিন্ন বিক্ৰীকেন্দ্ৰ স্থাপন কৰাৰ লগতে বিভিন্ন কাৰ্যসূচী যুগুত কৰা হৈছে। হৰ ঘৰ তিৰংগা অভিযানৰ অংশস্বৰূপে গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আজি পুৱা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰাংগণৰ পৰা স্বাধীনতা সমদল উলিওৱা হয়।

ধেমাজি জিলা প্ৰশাসনৰ উদ্যোগত, আৰক্ষী প্ৰশাসন আৰু জিলা পৰিবহণ বিভাগৰ সহযোগত ধেমাজিত আজি তিৰংগা সমদল উলিওৱা হয়। ধেমাজি জিলা আয়ুক্তই পতাকা জোকাৰি এই সমদলৰ শুভাৰম্ভ কৰে। মটৰচাইকেল সমদলত ধেমাজি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকেও অংশগ্ৰহণ কৰে।

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ বেটেলিয়নৰ ডেল্টা কোম্পানী আৰু লাংপি শিশু বিদ্যা নিকেতনৰ সহযোগত তিৰংগা যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাৰ্বত্য জিলাখনৰ লেঙেৰীত অনুষ্ঠিত এই হৰ ঘৰ তিৰংগা কাৰ্যসূচীত তিৰংগা যাত্ৰাৰ উপৰি প্ৰতিটো ঘৰতে জাতীয় পতাকা উৰুৱাই স্বাধীনতাৰ গৌৰৱ অনুভৱ কৰিবৰ বাবে ১২৮ নম্বৰ বেটেলিয়নৰ সহকাৰী সেনাধ্যক্ষ এল শ্বেৰত'ৰে আহ্বান জনাইছে।

০০০০০

সপ্তম অসম ৰাজ্যিক বিত্তীয় আয়োগৰ এটা দলে আজি মৰিগাঁও জিলাত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনৰ সকলো পঞ্চায়তৰ প্ৰতিনিধিসকল উপস্থিত থাকে। প্ৰতিনিধিসকলে নিজ নিজ এলেকাৰ

বিভিন্ন সমস্যা আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে আয়োগক অৱগত কৰে। আয়োগৰ প্ৰতিনিধিসকলে গ্ৰামোন্নয়ন, আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য, খোৱাপানীৰ যোগান আৰু অন্যান্য জনকল্যাণমূলক বিষয় সন্দৰ্ভত মতামত আৰু উন্নয়নৰ বাবে পৰামৰ্শ আগবঢ়ায়। তদুপৰি সমস্যাসমূহ সমাধানৰ বাবে পুঁজিৰ সঠিক বিনিয়োগ আৰু পৰিকল্পিত ব্যৱহাৰত তেওঁলোকে গুৰুত্ব আৰোপ কৰে। পঞ্চায়ত প্ৰতিনিধিসকলৰ পৰা লাভ কৰা পৰামৰ্শসমূহ গ্ৰহণ কৰি পৰৱৰ্তী সময়ত ইয়াক প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰা হ'ব বুলি তেওঁলোকে আশ্বাস দিয়ে।

ooooo

সমাপ্ত